# উন্নত জীৱনশৈলীৰ প্ৰয়ােজনসমূহ

## অনুশীলনী

**প্ৰশ্ন ১। মানুহৰ প্ৰয়ােজনসমূহক প্ৰধানকৈ কেইভাগত ভগাব পাৰি আৰু কি কি ? উদাহৰণসহ লিখা ।**

**উত্তৰঃ** মানুহৰ প্ৰয়ােজনসমূহক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি । এইভাগ দুটা হল—

( ক ) ব্যক্তিগত প্ৰয়ােজন ।

উদাহৰণ — ফ্ৰীজ , টেলিফোন , ৰন্ধন গেছ আৰু চৌকা , বিজুলী পাংখা, ৰেডিঅ ’ টেলিভিছন , চাইকেল , গাড়ী আদি । আৰু

( খ ) সামাজিক প্ৰয়ােজন ।

উদাহৰণ শিক্ষা ব্যৱস্থা , জনস্বাস্থ্য , সামাজিক নিৰাপত্তা , ধৰ্ম – সংস্কৃতি, মানৱীয় গুণ আদি ।

**প্ৰশ্ন ২। জীৱন ধাৰণৰ মান উন্নয়নত ব্যক্তিগত সামগ্ৰীসমূহৰ প্ৰভাৱ আলােচনা কৰা ।**

**উত্তৰঃ** মানুহে নিজৰ আৰু পৰিয়ালৰ ব্যক্তিগত জীৱনটো ভালদৰে চলাই নিবলৈ যিবােৰ সামগ্ৰীৰ প্ৰয়ােজনবােধ কৰে সেইবােৰেই হ’ল মানুহৰ ব্যক্তিগত প্ৰয়ােজন । ব্যক্তিগত প্ৰয়ােজনসমূহে আমাৰ ব্যক্তিগত অভাৱ পূৰণ কৰে । উদাহৰণ স্বৰূপে , ফ্ৰীজ , টেলিফোন , ৰন্ধন গেছ আৰু চৌকা , বিজুলী পাংখা , ৰেডিঅ ’ , টেলিভিছন , চাইকেল , গাড়ী আদি বস্তুবােৰে আমাৰ ব্যক্তিগত অভাৱ পূৰণ কৰে আৰু আমাৰ জীৱনটো ভালদৰে চলাইনিয়াত সহায় কৰে ।

জীৱিকা আৰু উপাৰ্জনভেদে মানুহৰ ব্যক্তিগত প্ৰয়ােজনসমূহ ভিন্ ভিন্ হয় ।

উদাহৰণ স্বৰূপে , এজন কৃষকক নাঙল আৰু গৰু বা ট্ৰেক্টৰ , পাৱাৰ টিলাৰ আদিৰ প্ৰয়ােজন । সেইদৰে তাঁতীৰ বাবে তাতশাল , চিকিৎসকৰ বাবে চিকিৎসা সঁজুলি , শিক্ষকৰ বাবে পাঠদানৰ সঁজুলি আদিৰ প্ৰয়ােজন।এই প্ৰয়ােজনসমূহে এই লােকসকলৰ জীৱনটো ভালদৰে চলাই নিয়াত সহায় কৰে ।

**প্ৰশ্ন ৩। পুথিভঁৰালৰ আৱশ্যকতা বুজাই লিখা ।**

**উত্তৰঃ** পুথিভঁৰাল হৈছে মানুহৰ সামাজিক প্ৰয়া◌েজন । আমি জানা◌ে যে , সমাজত সুস্থ , সবল আৰু শান্তিপূৰ্ণভাৱে জীয়াই থাকিবলৈ মানুহক প্ৰয়া◌েজন হা◌েৱা ব্যৱস্থা বা সামগ্ৰীসমূহেই হৈছে সামাজিক প্ৰয়া◌েজন । পুথিভঁৰালে মানুহক শিক্ষা লাভত সহায় কৰে । পুথিভঁৰালৰ জৰিয়তে মানুহে বিভিন্ন বিষয়ৰ কিতাপ অধ্যয়ন কৰিবলৈ সুবিধা পায় । এই অধ্যয়নে মানুহৰ জ্ঞানৰ প্ৰসাৰ ঘটায় আৰু মানুহক সংস্কৃতিবান কৰি তা◌েলে । সমাজৰ মানুহবিলাক সংস্কৃতিবান হ’লে সমাজৰা◌ে সংস্কৃতি প্ৰসাৰত সহায় হয় আৰু সমাজৰ সুস্থ বিকাশ সম্ভৱ হয় । গতিকে এখন সমাজৰ সুস্থ বিকাশত পুথিভঁৰালৰ আৱশ্যকতা নুই কৰিব না◌েৱাৰি ।

**প্ৰশ্ন ৪। সামাজিক নিৰাপত্তা প্ৰদানত আৰক্ষীৰ ভূমিকা আলা◌েচনা কৰা ।**

**উত্তৰঃ** সমাজত বাস কৰা প্ৰতিজন ব্যক্তিৰে সামাজিক নিৰাপত্তাৰ প্ৰয়া◌েজন । সমাজৰ প্ৰতিজন লা◌েকক নিৰাপত্তা প্ৰদানৰ বাবে আমাৰ শাসন ব্যৱস্থাৰ অধীনত নিৰাপত্তা ব্যৱস্থাও গঢ়ি তা◌েলা হৈছে । এই নিৰাপত্তা ব্যৱস্থাৰ অধীনত আৰক্ষীসকলে সমাজৰ একাংশ দুষ্ট চক্ৰই সংঘটিত কৰা কু – কৰ্মৰ বিপৰীতে যথা◌েচিত ব্যৱস্থা গ্ৰহণ কৰি সমাজত এক নিৰাপদ পৰিবেশ গঢ়ি তা◌েলে । এইদৰে আৰক্ষীসকলে সমাজত বাস কৰা লা◌েকসকলক নিৰাপত্তা প্ৰদান কৰাৰ লগতে সমাজত আইন – শৃংখলা ৰক্ষা কৰাত সহায় কৰে।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**( ক ) অতি চমু প্ৰশ্নোত্তৰ –**

**প্ৰশ্ন ১। এক সুস্থ, সবল, সমৃদ্ধ, নিৰা◌েগী জীৱন – যাপন কৰিবলৈ মৌলিক প্ৰয়া◌েজনৰ উপৰি আমাৰ আৰু কি কি প্ৰয়া◌েজন আছে ? জীৱন-যাপনৰ প্ৰয়া◌েজনসমূহক কি কি ভাগত ভগাব পাৰি ?**

**উত্তৰঃ** এটা সুস্থ, সবল, সমৃদ্ধ, নিৰা◌েগী জীৱন – যাপন কৰিবলৈ আমাক মৌলিক প্ৰয়া◌েজনৰ উপৰি ব্যক্তিগত প্ৰয়া◌েজন আৰু সামাজিক প্ৰয়া◌েজনৰ দৰকাৰ ।

বা জীৱন – যাপনৰ প্ৰয়া◌েজনসমূহক ব্যক্তিগত প্ৰয়া◌েজন আৰু সামাজিক প্ৰয়া◌েজন হিচাপে ভগাব পাৰি ।

**প্ৰশ্ন ২। ব্যক্তিগত প্ৰয়া◌েজন কাক বা◌েলে উদাহৰণসহ লিখা ।**

**উত্তৰঃ** মানুহে নিজৰ আৰু পৰিয়ালৰ ব্যক্তিগত জীৱনটো ভালদৰে চলাই নিবলৈ যিবাের সামগ্ৰীৰ প্ৰয়াােজনবাােধ কৰে সেইবাােৰেই হ’ল মানুহৰ ব্যক্তিগত প্ৰয়াােজন ।

উদাহৰণ — ফ্ৰীজ , টেলিভিছন , টেলিফোন , ৰন্ধন গেছ , চাইকেল , গাড়ী আদি ।

**প্ৰশ্ন ৩। সামাজিক প্ৰয়াােজন কাক বাােলে উদাহৰণসহ লিখা ।**

**উত্তৰঃ** এখন সমাজত সুস্থ , সবল আৰু শান্তিপূৰ্ণভাৱে জীয়াই থাকিবলৈ মানুহক যিবাের ব্যৱস্থা সামগ্ৰীৰ প্ৰয়াােজন হয় , সেইবাােৰকে সামাজিক প্ৰয়াােজন বাােলে ।

উদাহৰণ – শিক্ষাব্যবস্থা , জনস্বাস্থ্য , সামাজিক নিৰাপত্তা , ধৰ্ম – সংস্কৃতি , মানৱীয় গুণ আদি ।

**প্ৰশ্ন ৪। কোনবাের কাৰকে মানুহক সুখী জীৱন – যাপনত সহায় কৰে ?**

**উত্তৰঃ** উন্নত যাতায়াত ব্যৱস্থা , পৰিষ্কাৰ – পৰিচ্ছন্নতা , সামাজিক নিৰাপত্তা , বনানিকৰণ আদিয়ে মানুহক সুখী জীৱন – যাপনত সহায় কৰে।

**( খ ) চমু প্ৰশ্নোত্তৰ –**

**প্ৰশ্ন ১। মানুহৰ স্বাস্থ্য ৰক্ষাত সহায় কৰা উপাদানবাের কি কি ?**

**উত্তৰঃ** বিশুদ্ধ খাােৱা পানী , অনাময় ব্যৱস্থা , উন্নত ৰাস্তা – ঘাট , চিকিৎসালয় আদি কাৰকে মানুহৰ স্বাস্থ্য ৰক্ষাত সহায় কৰে ।

**প্ৰশ্ন ২। মানুহৰ ধৰ্মীয় প্ৰয়াােজনসমূহ পূৰণ কৰা কাৰকবাের কি কি ?**

**উত্তৰঃ** নামঘৰ , মন্দিৰ , মছজিদ , গিৰ্জা , গুৰুদ্বাৰ আদিয়ে মানুহৰ ধৰ্মীয় প্ৰয়াােজনসমূহ পূৰণ কৰে ।

**প্ৰশ্ন ৩। কোনবাের ব্যৱস্থাই মানুহক সামাজিক নিৰাপত্তা প্ৰদান কৰে ?**

**উত্তৰঃ** আৰক্ষী থানা , ন্যায়ালয় , মানৱাধিকাৰ আয়াােগ আদিয়ে মানুহক সামাজিক নিৰাপত্তা প্ৰদান কৰে ।

**প্ৰশ্ন ৪। সমাজত একতা আৰু শান্তি-শৃংখলা ৰক্ষা কৰাত কোনবোৰ মানৱীয় গুণে সহায় কৰে ?**

**উত্তৰঃ** দয়া , মৰম , মমতা , ভাতৃত্ববোধ , সহনশীলতা , দায়বদ্ধতা , শৃংখলাবোধ আদি মানৱীয় গুণসমূহে সামাজিক একতা আৰু শৃংখলা ৰক্ষা কৰাত সহায় কৰে ।

**প্ৰশ্ন ৫। ব্যক্তিগত প্ৰয়োজনসমূহ মানুহৰ জীৱিকা আৰু উপাৰ্জনভেদে কিয় ভিন্ ভিন্ হয় উদাহৰণসহ লিখা ।**

**উত্তৰঃ** আমি জানো যে , মানুহে জীৱিকা উপাৰ্জনৰ জৰিয়তে নিজৰ আৰু পৰিয়ালৰ ভৰণ – পোষণ দিয়াৰ লগতে তেওঁলোকৰ জীৱনটো ভালদৰে চলাই নিয়াত সহায় কৰে । যিহেতু ব্যক্তিগত প্ৰয়োজনসমূহেও মানুহৰ ব্যক্তিগত অভাৱসমূহ পূৰণ কৰি ব্যক্তিগত জীৱনটো ভালদৰে চলাই নিয়াত সহায় কৰে , সেয়েহে ব্যক্তিগত প্ৰয়োজনসমূহ মানুহৰ জীৱিকা আৰু উপাৰ্জনভেদে ভিন্ ভিন্ হয় ।

উদাহৰণ স্বৰূপে , এজন কৃষকক খেতি কৰি ব্যক্তিগত প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ নাঙল , গৰু বা ট্ৰেক্টৰ , পাৱাৰ টিলাৰ আদিৰ প্ৰয়োজন। সেইদৰে এজন তাঁতীৰ তাঁতশাল , চিকিৎসকৰ বাবে চিকিৎসা সঁজুলি , শিক্ষকৰ বাবে পাঠদানৰ সঁজুলি আদিৰ প্ৰয়োজন ।

**( খ ) খালী ঠাই পূৰণ কৰা –**

( ১ ) ………………. পাতি বাস কৰিবলৈ লোৱাৰ লগে লগে মানুহৰ এটা সামাজিক জীৱন আৰম্ভ হ’ল ।

**উত্তৰঃ** সমাজ পাতি বাস কৰিবলৈ লোৱাৰ লগে লগে মানুহৰ এটা সামাজিক জীৱন আৰম্ভ হ’ল ।

( ২ ) নামঘৰ , মন্দিৰ , মছজিদ , গিৰ্জা , গুৰুদ্বাৰ আদিয়ে ধৰ্মীয় প্ৰয়োজন পূৰণ কৰাৰ লগতে ………………..ৰ প্ৰসাৰতো সহায় কৰে ।

**উত্তৰঃ** নামঘৰ , মন্দিৰ , মছজিদ , গিৰ্জা , গুৰুদ্বাৰ আদিয়ে ধৰ্মীয় প্ৰয়োজন পূৰণ কৰাৰ লগতে সংস্কৃতিৰ প্ৰসাৰতো সহায় কৰে ।

( ৩ ) ………………… প্ৰয়োজনে মানুহক সুস্থ – সবল আৰু শান্তিপূৰ্ণভাৱে জীয়াই থকাত সহায় কৰে ।

**উত্তৰঃ** সামাজিক প্রয়োজনে মানুহক সুস্থ – সবল আৰু শান্তিপূৰ্ণভাৱে জীয়াই থকাত সহায় কৰে ।

( ৪ ) ভৌগোলিক অৱস্থান আৰু ………………… পৰিৱেশৰ ভিন্নতাৰ ওপৰতো সামাজিক প্রয়োজন নিৰ্ভৰ কৰে ।

**উত্তৰঃ** ভৌগোলিক অৱস্থান আৰু সামাজিক পৰিৱেশৰ ভিন্নতাৰ ওপৰতো সামাজিক প্রয়োজন নিৰ্ভৰ কৰে ।